অসম এছোচিয়েছন, দিল্লী
ASSAM ASSOCIATION, DELHI

# যোগাযোগ

জুলাই ঃ ২০২১
১৫০

**JOGAJOG**
**July : 2021**

**Vol : 13 No:10 Sl No: 150**

**Monthly Newsletter of Assam Association, Delhi**

*Editor (Hony):*
**Hiron Dutta**
Ph: +91 9810452442
(This is an ad hoc arrangement till a new editor takes charge)
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: editorjogajog@gmail.com, assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.org

# সম্পাদকীয়

## এতিয়া এনে লাগিছে যেন...

কৰ’ণা, মহামাৰী, অকাল মৃত্যু আদি বিৰক্তিকৰ শব্দবোৰ সকলোৰে মন-মগজুৰ পৰা ওলাই যাবলৈ লোৱাত এতিয়া এনে লাগিবলৈ ধৰিছে যেন আমাৰ জীৱন-যাত্ৰা পুনৰ স্বাভাৱিক হ’বলৈ আৰম্ভ হৈছে। বহুৰূপী কৰ’ণালৈ ভয়ে ভয়ে হ’লেও আমি মুকলিলৈ ওলাই আহিবলৈ অলপ সাহস কৰিব পৰা হৈছোঁ। ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকিবলৈ প্ৰায় অভ্যস্ত হৈ পৰা শৰীৰটোৰ বিশেষ আপত্তি নাই যদিও মনে কিন্তু নমনা হৈছে। মনবোৰ স্বাভাৱিক জীৱন-যাত্ৰাত জঁপিয়াই পৰিবলৈ অধীৰ হৈ আছে। তাৰেই প্ৰমাণ আমি পাইছোঁ অসম এছোচিয়েছন দিল্লীকে ধৰি অন্য অনুষ্ঠানবোৰৰ তৎপৰতা দেখি। কায়িকভাৱে নোৱাৰিলেও মানসিক ভাৱে ঘৰৰ চাৰিবেৰৰ বাহিৰলৈ উৰা মাৰি গীত-নৃত্য, আনন্দ-উল্লাস, মননশীল বাৰ্তালাপ আদিত যোগ দি সমাগত ভাল দিনবোৰক আদৰিবৰ প্ৰস্তুতি চলাইছোঁ। এইবাৰৰ যোগাযোগত সেই শুভলক্ষণৰ প্ৰতিফলন ঘটিছে।


*‘যোগাযোগ’ৰ বাবে আপোনালোকৰ কাৰোবাৰ হাতত যদি প্ৰকাশৰ উপযোগী বাতৰি থাকে তেনেহ’লে আমালৈ ৯৮৭৩৭৬৩৮১১ নম্বৰত হোৱাটছ্এপ কৰিব পাৰে।*

-সম্পাদক

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰে
## এছোচিয়েছনে প্ৰেৰণ কৰা অভিনন্দন বাৰ্তাৰ উত্তৰ



অসমৰ নতুন মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠিত চৰকাৰখনলৈ এছোচিয়েছনে প্ৰেৰণ কৰা অভিনন্দন বাৰ্তাৰ উত্তৰ মুখ্যমন্ত্ৰীগৰাকীৰ পৰা অলপতে পোৱা হয়। তেখেতে এই উত্তৰত ভৱিষ্যতে অসম এছোচিয়েছন, দিল্লীৰ সৈতে কাম কৰি যোৱাৰ আশ্বাস প্ৰদান কৰে। পত্ৰখনৰ প্ৰতিলিপি ৰাইজে চাব পৰাকৈ প্ৰকাশ কৰা হৈছে।




781006 01.06.2021
A271 00012415
₹5.00
P689623

CHIEF MINISTER
ASSAM

Sri Anjali Barua,
President,
Assam Association, Delhi.
Srimanta Sankardeva Bhawan,
Satsang Vihar Marg,
A-14/B, Qutub Institution Area,
New Delhi – 110067, India.

Despatcher
Chief Minister's Office
Assam, Dispur
Guwahati-781 006



ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

দিছপুৰ
২৮-৫-২০২১

শ্ৰদ্ধেয় বৰুৱা ডাঙৰীয়ানী,

সাদৰ-সম্ভাষণ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিচাপে দায়ত্বভাৰ গ্ৰহণৰ এই শুভ মুহূৰ্ত্তত মোৰ কাৰ্যকালৰ সফলতা কামনা কৰি অসম এছোচিয়েছন, দিল্লীৰ হৈ প্ৰেৰণ কৰা পত্ৰখনে মোক অধিক উজ্জীৱিত ভাবে জনসাধাৰণৰ সেৱা আগবঢ়োৱাৰ বাবে উদ্বুদ্ধ কৰি তুলিছে।

১৯৪৭ চনত গঠন হোৱা অসম এছোচিয়েছন, দিল্লীয়ে সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক দিশত প্ৰভূত বৰঙণি যোগাই আহিছে। আনহাতে দিল্লীত বসবাস কৰা অসমীয়া মানুহৰ এক উমৈহতীয়া মঞ্চ হিচাপে ৰূপায়িত বিভিন্ন সেৱামূলক কাৰ্যই নতুন প্ৰজন্মক ৰাজধানী চহৰখনত আগুৱাই যোৱাৰ বাবেও প্ৰেৰণা দিছে। সংগঠনটোৱে ৰাজ্যৰ আৰ্থ-সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনত জড়িত হৈ উন্নয়নৰ নৱ যাত্ৰাত অংশীদাৰ হ'বলৈ বিচৰাটো প্ৰশংসনীয়। উন্নয়নৰ গতিধাৰাক অধিক ক্ষিপ্ৰতৰ কৰিবলৈ হ'লে সকলোৰে সহযোগিতাৰ প্ৰয়োজন। ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত আপোনালোকৰ পৰা নিয়মীয়াকৈ দিহা-পৰামৰ্শ পাম বুলি আশা কৰিছোঁ।

সদৌ শেষত অসম এছোচিয়েছন, দিল্লীৰ সমূহ বিষয়ববীয়াৰ লগতে সদস্য-সদস্যাসকলৰ সুস্বাস্থ্য আৰু কুশল-মংগল কামনা কৰিলোঁ।

আন্তৰিকতাৰে -

(ড° হিমন্ত বিশ্ব শৰ্মা)

প্ৰতি,
শ্ৰীযুতা অঞ্জলী বৰুৱা
সভানেত্ৰী,
অসম এছোচিয়েছন, দিল্লী

## ঃ শ্ৰদ্ধাঞ্জলি ঃ

# ত্ৰৈলোক্য প্ৰসাদ খাওন্দদেৱৰ বিয়োগত শোক প্ৰকাশ



ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়া সমাজখনৰ এগৰাকী আগশাৰীৰ অশীতিপৰ ব্যক্তি তথা অসম এছোচিয়েছন, দিল্লীৰ লগত ওতপ্ৰোতভাৱে জড়িত থাকি দুবাৰকৈ ইয়াৰ সভাপতিৰ আসন শুৱনি কৰা আৰু অসম এছোচিয়েছন সাংস্কৃতিক তথা শৈক্ষিক ন্যাসৰ ন্যাসৰক্ষী ৰূপেও সেৱা আগবঢ়োৱা গুড়গাওঁ নিবাসী শ্ৰী ত্ৰৈলোক্য প্ৰসাদ খাওন্দদেৱৰ যোৱা ১৯ জুনৰ দিনা গুড়গাৱঁৰ এখন চিকিৎসালয়ত বিয়োগ ঘটে। তেখেত অলপ দিনৰপৰা শাৰীৰিকভাৱে অসুস্থ হৈ আছিল। তেখেতৰ বয়স হৈছিল ৮৪ বছৰ। পৈত্ৰিক গৃহ আছিল উজনি অসমৰ জাঁজিত। তেখেতে স্বনামধন্য পৰিবাৰ প্ৰখ্যাত লেখিকা ডঃ মলয়া খাওন্দৰ উপৰি পুত্ৰ ভাস্কৰ আৰু কন্যা ভাস্বতীৰ লগতে চাৰিটিকৈ নাতি-নাতিনী এৰি থৈ গৈছে।



অসম এছোচিয়েছন, দিল্লীয়ে ২০ জুনৰ দিনা সন্ধিয়া প্ৰয়াত খাওন্দদেৱৰ স্মৃতিত এখনি শ্ৰদ্ধাঞ্জলি সভাৰ আয়োজন কৰে গুগল মিটৰ জৰিয়তে। এছোচিয়েছনৰ সাধাৰণ সম্পাদক শ্ৰী দিব্যজ্যোতি দত্তই আঁত ধৰা এই সভাৰ আৰম্ভণিতে ডাঃ নীলমণি শৰ্মাই প্ৰয়াত খাওন্দদেৱৰ জীৱন পৰিক্ৰমা আৰু অসম এছোচিয়েছনৰ সৈতে থকা তেখেতৰ আত্মিক সম্বন্ধৰ বিষয়ে দুআষাৰ কৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। ইয়াৰ উপৰি এছোচিয়েছনৰ দুগৰাকী প্ৰাক্তন সভাপতি শ্ৰী অচ্যুত কুমাৰ শইকীয়া আৰু শ্ৰী মদন প্ৰসাদ বেজবৰুৱাকে ধৰি শ্ৰী হিৰণ্য কুমাৰ দাস, শ্ৰী শৰৎ বৰকাকতি, ডঃ জয়ন্তীমালা বৰপূজাৰী, শ্ৰীমতী তৃষ্ণা বৰকাকতি, ডাঃ বিপুল বৰুৱা, শ্ৰী অংশুমান বৰুৱা আৰু শ্ৰীমতী ৰীম পাঠক প্ৰমুখ্যে ভালেকেইজনে প্ৰয়াত খাওন্দদেৱক স্মৰণ কৰি দুআষাৰ কয়। এৰাব নোৱৰা কাৰণত সভাত যোগ দিব নোৱৰা এছোচিয়েছনৰ সভানেত্ৰী শ্ৰীমতী অঞ্জলী বৰুৱাই প্ৰেৰণ কৰা শোকবাৰ্তা এটা সাধাৰণ সম্পাদকে পাঠ কৰি দিয়ে। শেহত, প্ৰয়াত ত্ৰৈলোক্য প্ৰসাদ খাওন্দদেৱৰ বিদেহ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি আৰু শোকসন্তপ্ত পৰিয়ালটোক এই দুখ সহ্য কৰিবৰ বাবে মনত শক্তি দিবলৈ ভগৱন্তৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

**The recorded video of the above is Shardhanjhali is available at https://youtu.be/R1SbgNeBkvo**

## ক'ৰনাত মৃত্যু

### নীলাক্ষী বৰগোহাঁই



নয়দা নিবাসী প্ৰয়াত গুণীন বৰগোহাঁইৰ পত্নী শ্ৰীমতী নীলাক্ষী বৰগোহাঁইৰ ক'ভিডত আক্ৰান্ত হৈ যোৱা ১ মে'ৰ দিনা নয়দাৰ এখন চিকিৎসালয়ত মৃত্যু ঘটে। তেওঁৰ বয়স হৈছিল মাত্ৰ ৪০ বছৰ। তেওঁ Macon ltd. ত কাৰ্য্যনিৰ্বাহ কৰি আছিল। তেওঁ দুজনী কণমানি কন্যা সন্তান এৰি থৈ গৈছে। উল্লেখযোগ্য যে ২০১৮ চনৰ ১৬ চেপ্তেম্বৰত তেওঁ তেওঁৰ স্বামী গুণীন বৰগোহাঁইক হেৰুৱাইছিল। মৃত্যুৰ সময়ত স্বৰ্গীয় গুণীন বৰগোঁহাই GAIL India ত কৰ্মৰত আছিল।


# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন




অসম এছোচিয়েছন, দিল্লীয়ে যোৱা ২০ জুন তাৰিখে "বিষ্ণু ৰাভা দিৱস" আয়োজন কৰে অনলাইন মাধ্যমেৰে। এই অনুষ্ঠান নিশা ৮.১৫ ৰপৰা আৰম্ভ হয় আৰু নিশা ১১.৩০ বজালৈকে চলে। ইয়াত সমগ্ৰ বিশ্বৰ ৮০ জনতকৈ অধিক লোকে অংশগ্ৰহণ কৰে। কলাগুৰুৰ পুণ্য তিথিত আয়োজিত এই অনুষ্ঠানত এলানি আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানটো মাত্ৰ এঘন্টাৰ বাবে আয়োজনৰ দিহা কৰা হৈছিল যদিও অংশগ্ৰণকাৰীৰ আগ্ৰহৰ প্ৰতি সন্মান জনাই ইয়াক চাৰে তিনিঘন্টালৈকে চলাই নিয়া হয়।

এই অনুষ্ঠানৰ আৰম্ভণিতে সাংস্কৃতিক সম্পাদক অংশুমান বৰুৱাই ঘোষণা কৰে যে বিষ্ণু ৰাভা দিৱস অনুষ্ঠানটো এছোচিয়েছনৰ প্ৰাক্তন সভাপতি সদ্যপ্ৰয়াত ত্ৰৈলোক্য প্ৰসাদ খাওন্দ দেৱৰ নামত উৎসৰ্গা কৰা হৈছে।

অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰা কলাগুৰুৰ সুযোগ্য সন্তান শ্ৰী পৃথ্বীৰাজ ৰাভাই তেজপুৰৰপৰা যোগদান কৰিছিল। এছোচিয়েছনস সদস্য প্ৰশান্ত কুমাৰ দাসে আৰম্ভণিতে অনলাইন সভালৈ শ্ৰীপৃথ্বীৰাজ ৰাভাক আদৰণি জনায়। ডা. নীলমণি শৰ্মাই অসম এছোচিয়েছন, দিল্লীৰ বিষয়ে এক চমু বৰ্ণনা শ্ৰী পৃথ্বীৰাজ ৰাভাৰ আগত দাঙি ধৰে। তেখেতে পিতৃ কলাগুৰুৰ জীৱনৰ কিছুমান উল্লেখনীয় ঘটনাৰ কথা বৰ্ণনা কৰে। ৰাভাদেৱৰ জীৱনৰ বিষয়ে তেওঁ উল্লেখকৰা কথাবোৰ বৰ্তমান সমাজৰ বাবে অনুপ্ৰেণাৰ উৎস। উল্লেখযোগ্য যে শ্ৰী পৃথ্বীৰাজ ৰাভা বৰ্তমান তেজপুৰ সমষ্টিৰ বিধায়ক।





সভাত, কেইজনমান বিশিষ্ট ব্যক্তিয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিষয়ে চমু বক্তব্য আগবঢ়ায়। বিশিষ্ট গায়িকা সংগীতা কাকতিয়ে কয় যে ৰাভাদেৱে দেশৰ আন আন অংশৰ বিভিন্ন ধৰণৰ সংগীত অসমীয়া সংগীতৰ সৈতে সংগম ঘটাইছিল। সংগীত শিল্পী শ্ৰী ভূপেন উজিৰ আৰু শ্ৰীমতী শান্তা উজিৰেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাভাদেৱৰ সংগীত জীৱনৰ বিষয়ে দুআষাৰ কয়। এই অনুষ্ঠানত বিভিন্ন অংশগ্ৰহণকাৰীয়ে ৰাভাদেৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই পোনপতীয়াকৈ তথা ৰেকৰ্ডিং মাধ্যমেৰে গীত, কবিতা আবৃত্তি, বাদ্য সংগীত, নৃত্য পৰিৱেশন কৰে আৰু চমু বক্তব্য দাঙি ধৰে। তেওঁলোকৰ ভিতৰত আছে-


পোনপতীয়াকৈ (লাইভ) পৰিৱেশন ঃ

1. Dr Sangita Kakoty, Song
2. Bhupen Uzir, Santa Uzir Song
3. Sibani Baruah , Song
4. Reem Pathak, Song
5. Ankur Dutta , Song
6. Dr Banajit Mazumdar, Instrumenta
7. Kishorima Kashyap Saikia
8. Zhim Pathak, Song
9. Nilay Das, Song














10. Sangeeta Borthakur, Song
11. Jonali Talukdar , Song
12. Naba Mallika, Song
13. Sangeeta Das, Song
14. Irani Saikia, Song etc.








ভিডিঅ’ ৰেকৰ্ডিং কৰি পঠিওৱা সকলৰ ভিতৰত আছে-

1. Vishalakshi U Kashyap, Dance
2. Sibani Baruah, Song
3. Murchana Sarnah, Song
4. Aparna Devi Teacher, Assam Jatiya Bidyalay, Noonmati , Dance
5. Ushria Pritom, Dance
6. Aruna Boruah, Ahmedabad, Song
7. Anshikaa Shivam, Dance
8. Dr. Dhrubajyoti Sahariah, Mangoldoi, Recitation
9. Barnali Dutta Bora, Song
10. Bhargavi Kashyap, Class VI, D/o Dr Bhupen Deka IIT Guwahati
11. Parijat Nath, Age 13, D/O Kiran Nath & Manisha Devi, Tezpur
12. Jayditya Saikia, Song
13. Dhanistha Saikia, Song
14. Madhurjya Sarma, Music Keyboard
15. Debajit Baruah , Music Guitar
16. Pragya Priya Baruah, Recitation
17. Sushubhan Talukdar, Song
18. Nijara Nath, Dance
19. Reem Pathak, Song
20. Rajdeep Das, Song etc

এই সমগ্ৰ অনুষ্ঠানটো ইউটিউবত উপলব্ধ- https://youtu.be/Z1NCg8Xctqc

এই অনুষ্ঠানত ভাগ লোৱা বহু সংখ্যক দৰ্শকে আমাৰ অনুষ্ঠানৰ সলাগ লৈ শুভেচ্ছা বাৰ্তা, ধন্যবাদ বাৰ্তা তথা অনুপ্ৰেৰণামূলক বাৰ্তা প্ৰেৰণ কৰে।

অনুষ্ঠানটোৰ আঁত ধৰিছিল এছোচিয়েছনৰ সাধাৰণ সম্পাদক দিব্যজিত দত্তই আৰু ব্যৱস্থাপনাত আছিল সাংস্কৃতিক সম্পাদক অংশুমান বৰুৱা, সমন্বয়ৰক্ষী সম্পাদিকা ৰীম পাঠক। কাৰিকৰী দিশত বিশেষভাৱে সহায় আগবঢ়ায় কাৰ্যকৰী সদস্য প্ৰশান্ত কুমাৰ দাসে।

*(বাতৰি: দিব্যজিত দত্ত)*

## সাহিত্য চ'ৰাৰ সাধাৰণ সভা

ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়া সাহিত্যানুৰাগীসকলৰ সাহিত্য চৰ্চাৰ মঞ্চ "সাহিত্য চ'ৰা"-ৰ এখন সাধাৰণ সভা যোৱা ২৭ জুনৰ দিনা গুগল মীটৰ জৰিয়তে অনুষ্ঠিত কৰা হয়। সভাত বৰোদা, গুৱাহাটী, নগাওঁ আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ ২২ গৰাকী সাহিত্যানুৰাগীয়ে যোগদান কৰে। "সাহিত্য চ'ৰা"-ই যিহেতু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত বিভিন্ন কাম কৰাৰ আচনি পাঙিছে সেয়ে ইয়াৰ পঞ্জীয়ন কৰোৱাই লোৱাৰ কথাটো সভাত বিবেচনা কৰা হয় আৰু সেইমৰ্মে উত্থাপিত প্ৰস্তাৱ এটি সৰ্বসন্মতিক্ৰমে গৃহীত হয়। সভাত "সাহিত্য চ'ৰা"-ৰ নামটোৰ অলপ সংশোধন ঘটাই "জোনাকী সাহিত্য চ'ৰা" কৰিবলৈ সিদ্ধান্ত লোৱা হয়। সেইমৰ্মে ইয়াৰ পিছৰেপৰা "সাহিত্য চ'ৰা" নতুন নাম "জোনাকী সাহিত্য চ'ৰা" ৰূপে জ্ঞাত হ'ব। লগতে সভাত শ্ৰী ৰমেশ বৰুৱাক সভাপতি, ডাঃ বিপুল কুমাৰ বৰুৱাক উপসভাপতি, শ্ৰী ধ্ৰুৱজ্যোতি শইকীয়াক সাধাৰণ সম্পাদক, শ্ৰীমতী শ্যামলিমা কাকতিক যুটীয়া সাধাৰণ সম্পাদিকা, শ্ৰী প্ৰণৱ ফুকনক কোষাধ্যক্ষ, শ্ৰীমতী শৰ্মীষ্ঠা বৰ্মন আৰু শ্ৰীমতী অৰুণিমা শৰ্মা মহাপাত্ৰক যথাক্ৰমে সাহিত্য সম্পাদিকা আৰু সহকাৰী সাহিত্য সম্পাদিকা ৰূপে আৰু ডঃ ৰত্নোত্তমা দাস বিক্ৰম, শ্ৰী দীপক বৰা, শ্ৰী অংশুমান বৰুৱা, শ্ৰী মাণিক দাস, ডঃ জয়ন্তীমালা বৰপূজাৰী আৰু শ্ৰী হিৰণ দত্তক কাৰ্যনিৰ্বাহক সদস্যৰূপে লৈ ১৩ জনীয়া কাৰ্যনিৰ্বাহক সমিতি এখন গঠন কৰি দিয়া হয়।

*(বাতৰি অংশুমান বৰুৱাৰ সৌজন্যত)*

# Sodou Axom Lekhika Samaroh Samiti, Delhi Chapter Remembers Sheela Barthakur

Sodou Axom Lekhika Samaroh Samiti, Delhi Chapter organised a virtual meeting on June 21 to remember and pay tribute to Late Sheela Barthakur on her first death anniversary. Sheela Barthakur passed away on June 21, 2020 at the age of 84 years.

Late Sheela Borthakur is the role model of all the women writers of Assam . She is the founder president of 'Sadou Axom Lekhika Samaroh Samity', an independent literary organisation for Assamese women which was established in the year 1974. She served as the President of this organisation for three times. Sheela Borthakur was born in 1935 in a small town of Jorhat, Assam . But she spent her early years in Dhaka.

After she completed her graduation from Jagannath Barooah College, she got married to Sri Saranan Borthakur, who was a dancer.

She started her career as a teacher, and along with it she persued her higher studies .While doing doctorate degree her thesis subject was" Social Change in Assam". She worked as an editor and had edited books of Nalini Bala Devi, Dharmeswari Devi Baruani and Sneha Devi.

Govt of India awarded her with Padma Shri in the year 2008 for her contribution to the Assames society.

*(Reported by Sarmistha Barman(Chowdhury) on behalf of President Malaya Khaund and other members of Sodou Axom Lekhika Samaroh Samiti, Delhi Chapter)*

**MATRIMONIAL**

**Alliance invited from worldwide for a 29 years old Assamese Hindu girl with a BE degree in Aerospace Engineering and Masters in Aviation Management, presently working in UAE military airbase and residing in Dubai with her parents and a younger sister.**

**Contact:00971502076967**

**or Email at: nira_im@yahoo.co.in or may contact local guardian at Delhi NCR at number 9910563082**

**adv: 2/3**

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দিল্লী মহানগৰী (NCR) শাখাৰ নতুন পদক্ষেপ

ক'ভিডজনিত পৰিস্থিতিৰ বাবে চৰকাৰে ঘোষণা কৰা লকডাউন'ৰ কালচোৱাত 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, দিল্লী মহানগৰী (NCR ), দ্বাৰকা জিলা শাখা'ৰ 'শিশু, আই মাতৃ কল্যাণ সমিতি'ৰ প্ৰাক্তন সম্পাদিকা আৰু বৰ্তমান একে সমিতিৰ কেন্দ্ৰীয় সদস্যা শ্ৰীমতী ববিতা বৰাৰ সহযোগত 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ, দিল্লী মহানগৰী (NCR ) দ্বাৰকা জিলা শাখা'ৰ সম্পাদিকা শ্ৰীমতী শৰ্মীষ্ঠা বৰ্মন চৌধুৰীয়ে ৭ মাৰ্চ ২০২১, দেওবাৰৰপৰা কণ-কণ ল'ৰা-ছোৱালীক Learn@কুঁহিপাত নামেৰে নামাকৰণ কৰা 'অনলাইন' শ্ৰেণীকোঠাত প্ৰতি সপ্তাহে এঘণ্টাৰ বাবে বিনামূলীয়াকৈ অসমীয়া ভাষাৰ পাঠদান তথা ঘোষাপাঠ  শিকাবলৈ আৰম্ভ কৰিছে। অসমীয়া ভাষা আৰু নামঘোষাৰ পাঠদানৰ উপৰি লকডাউনৰ সময়ছোৱাৰ সঠিক ব্যৱহাৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰামায়ণ-মহাভাৰতৰ কিছুমান গল্পৰ ওপৰত ভিত্তি কৰি চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

এই প্ৰচেষ্টাত ৰাইজৰপৰা বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা বুলি সঙঘৰ দিল্লী মহানগৰী জিলা শাখাই জানিবলৈ দিছে। শিকোৱাৰ ব্যৱস্থাৰ মাধ্যম 'অনলাইন' হোৱাৰ বাবে বিভিন্ন ৰাজ্যৰপৰাও ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত যোগদান কৰিছে। ইতিমধ্যে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪০ জনলৈ বৃদ্ধি হৈছে। তাৰে তিনিগৰাকী প্ৰাপ্তবয়স্কাৰ ভিতৰত এগৰাকী ফ্ৰান্সৰ নাগৰিকো আছে। অৱশ্যে প্ৰাপ্তবয়স্কসকলে তেওঁলোকৰ বাবে পৃথক শ্ৰেণীৰ আয়োজন কৰিবলৈ অনুৰোধ জনাইছে। অৱশ্যে তাৰ বাবে এতিয়ালৈ কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই যদিও, অনাগত দিনত সেই ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে ।

উল্লেখযোগ্য যে ওপৰত উল্লেখ কৰা ফৰাছী নাগৰিক গৰাকীয়ে সদ্যহতে জিলা শাখাৰ সম্পাদিকাৰপৰা বিনামূলীয়াকৈ ব্যক্তিগতভাৱে অসমীয়া ভাষাৰো শিক্ষা গ্ৰহণ কৰি আছে।

ইয়াৰ উপৰি, দিল্লী মহানগৰী জিলা শাখাৰ শিশু, আই-মাতৃ কল্যাণ সমিতিৰ উদ্যোগত কণ-কণ শিশুসকলক ভাগৱত পাঠৰ শিক্ষাদান কৰি থকা হৈছে আৰু আগলৈও সেই কাম অব্যাহত ৰখা হ'ব বুলি জানিবলৈ দিছে।

ইয়াৰ উপৰিও সঙঘৰ দিল্লী মহানগৰী জিলা শাখাৰ তৰফৰ পৰা সভাপতি তথা সম্পাদকে দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকক আৰ্থিক সাহায্য প্ৰদান কৰাৰ উপৰিও মাস্ক, চেনিটাইজাৰৰ লগত বিভিন্ন খাদ্য সামগ্ৰী বিতৰণ কৰিছে। *বাতৰি:শৰ্মীষ্ঠা বৰ্মন চৌধুৰী*

# Know Your entrepreneurs

**Manaswani Sharma**
***Managing Director – Music Arts & Dance Academy***



***Jogajog:*** You have been doing fantastically in your Music Arts & Dance Academy from the prime locality like Safdarjung Enclave. Could you let us know a few words about your back ground?

***Manaswani:*** I am basically from Jorhat Assam, my father Dimbeswar sharma is a retd. Principal ( Normal school, teacher's training) I completed my graduation from D.C.B girls' college Jorhat, and got my fine arts( drawing , painting n crafts) education from Jorhat fine arts society, I was also a college chess game champion and was a state level chess player. In 2004, I got married to a Delhi based software Engineer Nirmalendu Bardoloi.

***Jogajog:*** How did you establish your Dance Academy ?

***Manaswani:*** Before coming to Delhi I was an art faculty of North Indian Arts & musical Institute. Here in Delhi, I started working as an art & craft faculty in various renowned institutions like Tansen Sangeet Mahavidya, Indian School of Music, Vijaya Sangeet Mahavidya. I always wanted my freedom to teach all classes of people in my way. So I decided to quit my job and established my own academy" Music Arts & Dance " in 2015. I added subjects like dance, vocal , guitar, keyboard, Kathak classes besides my own subjects arts , crafts and handwriting , calligraphy. Later I introduced chess game. My Academy conduct exam from Prayag Sangeet Samiti every year.Our Vocal and Kathak students appeared for written exam in Dec and practical exam on May. Now during pandemic, we have been providing online classes in this pandemic situation.

***Jogajog:*** How is your Academy performing ? Have you been able to receive any award, recognition ?



***Manaswani:*** I received "Gaurav" award from CNN news , all branches topper faculty of Tansen Sangeet Mahavidya, Woman Achiever award from Mom & Me, got privilege to judge prestigious competition like Rotary Club Art Competition, various beauty pageants with Mrs India Capt Shalini Singh, Mrs India Rashmi Uppal etc. My Academy always inspires people of all ages to be fit and to do creative things. My students have achieved many prizes in art , craft, handwriting, chess game, dance so far.




***Jogajog:*** You have been associated with Assam Association Delhi for long in various Arts cultural events and also a Life members How do you would like to appeal to today's Children?

***Manaswani:*** I always believe there should be an Option B in our life besides study. Now a days fine arts is considered as co- curricular activity, earlier it was considered as extra curricular activity. If a child has talent, we enhance his /her skills to go-ahead and provide necessary exposure by sending to various competitions and events.



# Know your entrepreneur 2

**Dr Sanjib Kakoty**
*Director, Cure and Care*



***Dr Sanjib Kakoty is a surgeon and Director of two Pet polyclinics viz. Cure and Care Pet poli clinic, Sector 12 Dwarka, and Cure and Care Pet poli clinic, Bali Nagar , New Delhi 15 with successful services and business. In an exclusive interview with Jogajog, recently, he spoke about his earlier life and life journey.***



***Jogajog:*** What motivated you to land in Delhi after acquiring your degree?

***Dr Sanjib Kakoty:*** I was very much interested in Small Animal practice since my college graduation days. I completed my Masters in Veterinary Surgery and Radiology in 2000-2001 and worked for some time in Guwahati establishing the PFA hospital and a private clinic. In those days running a pet clinic in Guwahati was a struggle since people were not very aware about a good vet care need for their pets. However, the situation in metro cities like Mumbai and Delhi was different, and people were much aware about the need of Vet services for the pet's and private vet clinic was well established. So, finally I thought of establishing myself in Delhi for my professional carrier.




***Jogajog:*** How was your initial days and how could you able to establish and expand your business ?

***Dr Sanjib Kakoty:*** I came to Delhi in 2003 and joined Sanjay Gandhi Animal Care Centre as a Veterinary Surgeon and worked there for several years. In those days I got good work exposure to small animal practice in Delhi and managed to come across lot of well-wishers who along with wife Dr Shilpi who is also a Vet encouraged me to start my own set-up.

Along with one of my colleague, we started Cure and Care Pet Polyclinic "in 2006 . Gradually with time we managed to expand it to a full-fledged pet polyclinic with all latest diagnostic and other equipment. Later on in 2010, we expanded the clinic services to Dwarka, and opened a set up along with a friend Dr. Pritam Chakravarty who is also a vet from Assam where we provide OPD, Surgery, diagnostics with dedicated pet grooming salon and pet shop. The various services provided are OPD -Treatment and Vaccinations , Surgery, In house diagnostics- Digital X-rays, Ultrasound, ECG , Blood Test , Cold Laser Therapy Pet Salon, and Pet store.




*Cure and Care Pet Clinic & Salon, G-2, G-3 , Shokeen Plaza , Plot No 3, Pocket 7, Sector 12 , Dwarka*

***Jogajog :*** What prompted you to become an entrepreneur or successful veterinary Surgeon?


***Dr.Sanjib Kakoty:*** The unemployment situation in Veterinary science was grim in those days, I always had the passion for small animal practice and hence started private practice just after college days. With more practice I was determined not to apply for any Government jobs, and instead start my own establishment.

Professionally I had attended lot of workshop, conference and seminars in India and aboard and meet some of very successful small animal practitioners who really motivated me to do hard works, be focused and to learn every day.

***Jogajog:*** What is your future plan ?

***Dr. Sanjib Kakoty:*** I am working on to implement minimal invasive surgery procedure in companion animals more routinely. My dream is to establish a multi- specialty hospital for dogs and cats in Delhi NCR if I manage to generate that kind of funds.




INDIAN MOVERS ORGANIZATION
ESTD: 1966
AGARWAL GROUP
PACKERS & MOVERS
ASSAM DOOARS ROADWAYS
ADR INDIA LLP.
Head Office: Goenka Building, Kedar Road,
Guwahati – 781001 Assam
: 9864042023, 9864047677
Admn. Office: 167/17, Amritpuri – B,
East Of Kailash, New Delhi – 110065
: 9811336158, 7982696995
Concern Person : Pawan Agarwal
assamdooarsroadways@gmail.com
https://www.indianmoversorganization.org/packers-and-movers-guwahati/
MEMBER: INDIAN MOVERS ORGANIZATION
SERVICE ALL OVER NORTH EAST